# কবীৰ।

শ্ৰীৰমেশ চন্দ্ৰ বৰুৱা।

---

মূল্য দুই অনা মাত্ৰ।

**Selling Agents.**
**Chapala Book Stall.**
**SHILLONG.**

1544

# পাতনি

কবীৰৰ নাম আৰু ধৰ্ম্ম আমাৰ দেশত অবিদিত নহয়, কিন্তু তেওঁৰ সেই মধুৰ, প্ৰাঞ্জল ৰচনাৱলীৰ সম্বন্ধে সকলো মানুহে নেজানে।

১৩৯৮ খৃষ্টাব্দৰ জেঠ মাহৰ পূৰ্ণিমা তিথিত সোমবাৰে কবীৰে কাশীৰ শহৰতালাব নামে ঠাইত জন্ম গ্ৰহণ কৰিছিল; আৰু ১৫১৮ খৃষ্টাব্দৰ মাঘ মাহত কাশীৰ ওচৰৰ মহগৰ নামে এক গাৱঁত দেহত্যাগ কৰিছিল।

যি সকলে ভাৰতবৰ্ষৰ বুৰঞ্জী পঢ়িছে তেওঁসকলে বোধকৰো জানে যে পাঠান ৰাজত্বৰ শেষ সময়টো হিন্দুসমাজ আৰু হিন্দূধৰ্ম্মৰ কাৰণে বৰ অশুভ ক্ষণ আছিল। ঠিক সেই সময়তে উত্তৰ ভাৰতবৰ্ষত চাৰিজন মহাপুৰুষে ধৰ্ম্ম প্ৰচাৰ কৰি অনেকৰ ধৰ্ম্মসম্বন্ধে মতি-গতি ঘৰাই পেলাইছিল। আমাৰ মহাত্মা কবীৰ হৈছে এই চাৰিজন মহাপুৰুষৰ ভিতৰৰে এজন,—বাকী তিনিজন হৈছে ৰামানন্দ, নানক আৰু শ্ৰীচৈতণ্য। কবীৰৰ জীৱন-চৰিত আৰু তেওঁৰ ধৰ্ম্মৰ পৰা আমি অনেক সজ আৰু সত্য উপদেশ পাওঁ। কবীৰ প্ৰথমে বিখ্যাত বৈষ্ণৱ সাধু ৰামানন্দৰ এজন অতি প্ৰিয় শিষ্য আছিল, পাচত তেওঁ নিজেই এক বেলেগ মত প্ৰচাৰ কৰিলে। কবীৰৰ প্ৰচাৰিত ধৰ্ম্ম পাচত 'কবীৰ ধৰ্ম্ম' নামে অভিহিত হল।

কবীৰৰ জন্ম বৃত্তান্ত সম্বন্ধে অনেক আশ্চৰ্য্যজনক গল্প শুনিবলৈ পোৱা যায়, কিন্তু সকলো বিশ্বাসযোগ্য নহয়। কবীৰ আছিল মুছলমানৰ সন্তান। কোনোৱে কয়, যে তেওঁ মুছলমানৰ দ্বাৰা পালিত। তেওঁৰ পিতাকৰ নাম আছিল নৰু, আৰু মাকৰ নাম আছিল নীমা। লোই আছিল তেওঁৰ পত্নী। কবীৰৰ এটি লৰা আৰু এজনী ছোৱালী আছিল—নাম ৰাখিছিল—কমাল আৰু কমালী।

কবীৰৰ পৈত্রিক ব্যৱসায় আছিল কাপোৰ বোৱা, আৰু এই ব্যৱসায়ৰ দ্বাৰা তেওঁ পৰিয়ালক ভৰণ-পোষণ দিছিল। কবীৰৰ ঘৰুৱা জীৱনৰ বিষয়ে আমি ইয়াকে জানিব পাৰো।

সাম্প্রদায়িক সাধুসকলে কবীৰৰ নিচিনা সাধুৰ কাৰণে গৃহস্থজীৱন এটা নিন্দাৰ কথা বুলি মিছা তৰ্ক কৰা দেখা যায়। কিন্তু কবীৰৰ প্ৰকৃত ধৰ্ম্মৰ অৰ্থ নুবুজাকৈ কৰা এই তৰ্ক যুক্তিহীন।

শুনা যায় যে কবীৰৰ দেহত্যাগৰ পাচত তেওঁৰ মৃতদেহ লৈ হিন্দু আৰু মুছলমান শিষ্যবিলাকৰ ভিতৰত এক অপূৰ্ব্ব হাই-কাজিয়াৰ সৃষ্টি হৈছিল। হিন্দু শিষ্যবিলাকে তেওঁৰ দেহ অগ্নিত দাহ দিবলৈ বিচাৰিছিল, আৰু মুছলমান শিষ্যবিলাকে কবৰ দিবলৈ বিচাৰিছিল। ইয়াকে লৈ এক ভীষণ সমস্যা হৈছিল। প্ৰবাদ আছে যে ঠিক সেই সময়তে কবীৰে বোলে

নিজেই হেনো স্বয়ং উপস্থিত হৈ সেই সমস্যাৰ সমাধান কৰিছিল। তেওঁ শিষ্যবিলাকক মৃতদেহৰ পৰা চাদৰখন উঠাই দিবলৈ কলে। এজন শিষ্যই যেতিয়া কবীৰৰ মৃতাত্মাই কোৱা মতে মৃতদেহৰ ওপৰত ঢাকি থোৱা চাদৰখন তুলিলে, তেতিয়া দেখি সকলোৱেই বিস্ময় মানিলে যে শ নাই, আছে কেৱল কিছুমান ফুল! এই ঘটনাৰ পাচত তাৰে আধাখিনি ফুল হিন্দু শিষ্যবিলাকে নি অগ্নিত দাহ দিলেগৈ, আৰু বাকী আধাখিনি ফুল মুছলমান শিষ্যবিলাকে নি বোলে কবৰ দিলেগৈ।

কবীৰৰ বিষয়ে এই সৰু কিতাপখন অসমীয়া ভাষাত প্ৰকাশ কৰা হল। অসমীয়া ৰাইজৰ পৰা আদৰ পাব বুলি আশা কৰিলো।

ডিগবৈ,<br>
১৪।৭।১৯৪০

বিনীত,<br>
শ্ৰীৰমেশ চন্দ্ৰ বৰুৱা।

# কবীৰ।

(১)

কোই ৰহীম কোই ৰাম বখানে,
কোই কহে আদেশ।
নানা ভেষ বনায়ে সবে মিল,
ঢুঁৰ ফিৰে চহুঁ দেশ ॥
কহে কবীৰ অন্ত না পৈহোঁ,
বিনা সত্য উপদেশ ॥

কোনোৱে হয়তো কৈছে—'ৰাম আমাৰ উপাস্য', কোনোৱে হয়তো কৈছে—'ৰহিম আমাৰ উপাস্য' আৰু কোনোৱে কৈছে—'প্রতি আদেশ মাত্রই আমাৰ চালক',—এইদৰে প্রত্যেকেই ভিন্ ভিন্ ভেশ ধাৰণ কৰি চাৰিউফালে ঘূৰি মৰিছে। কবীৰে কৈছে, সত্য জ্ঞানৰ বাহিৰে এই গুপ্ত ৰহস্যৰ অন্ত কোনেও নেপায়।

(২)

মন তু নাহক দ্বন্দ্ব মচায়ে
কৰ অস্নান ছুৱো নহি কাহূ
পাতী ফুল চঢ়ায়ে।

মূৰতসে দুনিয়া ফল মাঁগে,
অপনে হাথ বনায়ে ॥

য়হ জগ পূজে দেব দেহৰা,
তীৰথ বত অন্হায়ে ॥
চলত ফিৰত মেঁ পাঁর দুঃখিত ভয়ে
যহ দুঃখ কহাঁ সমায়ে

সাঁচে কে সঙ্গ সাঁচ বসত হেয়্
ঝূঠে মাৰ হটায়ে
কহৈ কবীৰ যহ সাঁচ বস্তু হেয়্
সহজে দৰ্শন পায়ে ॥

কিয় তুমি মিছাতে হাই-উৰুমি কৰি ফুৰিছা ? তুমি নিতৌ স্নান কৰিছা, আৰু অনেক ছূৱলৈ ঘিণ কৰিছা—তুমি ফল-ফুল লৈ দেৱতাক পূজা কৰিছ । পৃথিবীৰ মানুহে নিজ নিজ হাতেৰে মূৰ্ত্তি সাজি তাৰ ওচৰত ফল আকাঙ্ক্ষা কৰিছে । গোটেই জগতে দেৱমূৰ্ত্তি, জীৱমূৰ্ত্তি পূজা কৰিছে, তীৰ্থ কৰিছে, ব্ৰত ধৰিছে,—স্নান কৰিছে । ভৰিৰে খোজ কাঢোতে চৰণ ক্লান্ত আৰু অৱসন্ন হৈ পৰিছে—এই দুখৰ অৱসান ক'ত হব পাৰে ? সত্যৰ লগত হে সেই সত্যময় বাস কৰে—মিছাক হত্যা কৰি পেলায় । কবীৰে কৈছে যে য'ত সত্য বস্তু আছে, তাত সহজেই তাৰ দৰ্শন লাভ হয় ।

সাধো পাঁড়ে নিপুন কসাই।
বক্‌ৰী মাৰ ভেড় কো ধায়ে।
দিলমে দৰদ ন আঈ॥
কৰ অস্নান তিলক দে বৈঠে
বিধি সে দেবী পূজাঈ।
আতম মাৰ পলক মে বিনসে
ৰুধিৰ কী নদী বহাঈ॥
অতি পুনীত উঁচে কুল কহিয়ে
সভা মাঁহি অধিকাঈ।
ইনমে গুৰুদীচ্ছা সব মাঙ্গে
হঁসি আৱে মোঁহি ভাই।
পাপ কৰণ কো কথা শুনাৱেঁ
কৰম কৰাৱেঁ নীচা!
গায় বধে সো তুৰুক কহাৱে
য়হ ক্যা ইনসে ছোটে॥

হে সাধু, পুৰোহিত বৰ নিপুণ কচাই। পাঠা বধ কৰি ভেড়াৰ পাছত দৌৰে—প্ৰাণত লেশমাত্ৰও দয়া বোধ নকৰে। স্নান কৰি কপালত ফোট লৈ বহি বহি ৰীতিমতে তেওঁৰ দেবাপূজা কৰে—আৰু ক্ষন্তেকৰ ভিতৰতে প্ৰাণীহিংসা কৰি তেজৰ নৈ বোৱাই দিয়ে। আকৌ তেওঁ নিজকে পৱিত্ৰ -উচ্চকুল বুলি সভাৰ মাজত গৌৰৱ কৰে! এওঁলোকৰ ওচৰতে

আকৌ মানুহে দীক্ষা গ্ৰহণ কৰে—শুনি মোৰ হাঁহি হে উঠে। এওঁলোকে পাপ কথা শুনায়, নীচ কাম কৰায়। যি গোবধ কৰে, তেওঁলোকক এওলোকে "তুৰুক" বুলি কয়। কিন্তু এওঁলোকে সিহতকৈ নো কিহৰ কম ?

( ৪ )

অৰে ইন্ দুহু ৰাহ ন পাঈ।
হিঁন্দুকী হিংদৱাঈ দেখী,
তুৰ্কন কী তুৰ্কাঈ।
কহেঁ কবীৰ শুনো ভাই সাধো,
কৌন ৰাহ হ্ৱৈ যাঈ॥

হায়, এই উভয়েই পথ নেপায়। হিন্দুৰ হিন্দুৱানী দেখিছো, মুছলমানৰ মুছলমানী দেখিছো। কবীৰে কৈছে, হে সাধু, কোন পথে আমি যাম ?

( ৫ )

সাধো দেখো জগ বৌৰানা।
সাঁচ কহো তো মাৰণ ধাৱে
ঝুঁঠ জগ পতিযানা।
হিন্দূ কহত হেয় ৰাম হমাৰা
মুছলমান ৰহিমানা।
আপস মে দোউ লড়ে মৰত হেঁ
মৰম কোই নহিঁ জানা॥

বহুত মিলে মোহিঁ নেমী ধৰ্ম্মী,
প্ৰাত কৰে অস্নানা ;
আতম ছোড়ে পষাণে পূজেঁ
তিনকা থোথা জ্ঞানা ॥
পীতৰ পাথৰ পূজন লাগে,
তীৰথ বৰ্ত্ত ভুলানা।
মালা পহিনে টোপী পহিনে,
ছাপ তিলক অনুমানা ॥
সাখী শব্দে গাৱত ভূলে,
আতম জ্ঞান ন জানা।
ঘৰ ঘৰ মন্ত্ৰ জো দেত ফিৰত হেঁ,
মায়াকে অভিমানা।
গুৰুৱা সহিত শিষ্য সব বূড়ে,
অন্তকাল পছতানা ॥
বহুতক দেখা পীৰ ঔলিয়া
পঢ়েঁ কিতাব কুৰাণা।
কৰেঁ মুৰীদ কবৰ বতলাৱেঁ,
উনহুঁ খুদা ন জানা ॥
হিন্দুকী দয়া মেহৰ তুৰ্‌কন কী,
দোনোঁ ঘৰসে ভাগী।
ৱহ কৰে জিবহ ৱহ ঝটকা মাৰেঁ,
আগ দোউ ঘৰ লাগী।

যা বিধি হসত চলত হেঁ হমকো
আপ কহারে স্যানা
কহেঁ কবীৰ শুনো ভাই সাধু
ইন মেঁ কৌন দিৱানা।

হে সাধু, চোৱাচোন এই জগতখন কেনে পাগল। যদি সত্য কথা কোৱা তেনে তোমাক মাৰিবলৈ চাব, যদি মিছা কথা কোৱা তেতিয়া বিশ্বাস কৰিব। হিন্দুৱে কয়, আমাৰ ৰাম, মুছলমানে কয়, আমাৰ ৰহিম—পৰস্পৰে মৰামৰি কৰে অথচ মৰ্ম্মকথা কোনেও নুবুজিলে। আকৌ অনেক প্ৰাতঃস্নায়ী ধাৰ্ম্মীকো দেখিছো। তেওঁলোকৰ জ্ঞান স্থূল, কাৰণ তেওঁলোকে পৰমাত্মাক এৰি, পাষাণক পূজা কৰে। কোনোৱে পিতল মূৰ্ত্তি বা পাষাণ মূৰ্ত্তি পূজা কৰিছে, কোনোৱে বা তীৰ্থব্ৰত, কৰিছে, কোনোৱে মালা পিন্ধিছে, কোনোৱে টুপী পিন্ধিছে, কোনোৱে ফোট লৈছে, কোনোৱে জপ কৰিছে, ভজন গান কৰিছে—কিন্তু জনা নাই পৰমাত্মাক। কোনোৱে মিছা অভিমানত মত্ত হৈ ঘৰে ঘৰে মন্ত্ৰ দি ফুৰিছে—শিষ্যৰ লগত এনেকুৱা গুৰু ৰসাতললৈ গৈছে— অৱশেষত তেওঁলোকে পৰি-তাপ কৰিব লাগিব। 'পীৰ' ফকীৰো বহুত দেখিছো—কোনোৱে বা ধৰ্ম্মগ্ৰন্থ কোনোৱে বা কোৰাণ পঢ়ি শিষ্য কৰে,—গুপ্ত বাৰ্ত্তা কয়, অথচ ঈশ্বৰক নেজানে। হিন্দুৰ দয়া, মুছলমানৰ কৰুণা উভয়ৰ ঘৰৰ পৰা পলাইছে। এজনে বলি দিয়ে, অন্যজনে জবাই কৰে,—উভয়ৰ ঘৰতেই জুই লাগিছে।

তেওঁলোকে নিজকে বুদ্ধিমান বুলি ভাবে আৰু আমাক উপহাস কৰে। কবীৰে কৈছে হে সাধু, ইয়াৰ ভিতৰত কোন পাগল মোক কোৱা ?

[ ৬ ]

না জানে সাহব কেইসা হে।
মুল্লা হোকৰ বাংগ যো দেৱে।
ক্যা তেৰা সাহব বহৰা হে।
ফীড়ী কে পগ নেৱৰ বাজে,
সোভী সাহব সুন্ তা হে ॥
মালা ফেৰী তিলক লগায়া,
লম্বী জটা বঢ়াতা হে।
অন্তৰ তেৰে কুফৰ কটাৰী,
য়োঁ নহি সাহব মিলতা হে ॥

নেজানো সেই ঈশ্বৰ কেনেকুৱা ? সৌ যে মোল্লাই চিঞৰি চিঞৰি মাতিছে তাৰ অৰ্থ কি ? তোমাৰ প্ৰভু জানো ইমান কলা ? হায়, নিচেই ক্ষুদ্ৰ পকৰাৰ চৰণৰ যি নুপুৰ বাজে তাকো তেওঁ শুনিবলৈ পায় ; (তেন্তে এই মোল্লাবিলাকে কাণত ঠিলা মাৰি চীৎকাৰ কৰাৰ কি আৱশ্যক )। মালাই পিন্ধা, ফোটেই লোৱা বা দীঘল জটা বঢ়াই লোৱা তেও তোমাৰ অন্তৰত শানিত খড়্গ ; এনেকৈ ঈশ্বৰক নেপায়।

[ ৭ ]

সাধো সো জন উতৰে পাৰা
জিন মনতে আপা ডাৰা ॥

কোঈ কহে মৈঁ জ্ঞানী ৰে ভাই,
কোঈ কহে মৈঁ ত্যাগী।
কোঈ কহে মৈঁ ইন্দ্ৰী জীতী,
অহং সবন কো লাগী॥
কোঈ কহে মৈঁ যোগীৰে ভাই,
কোঈ কহে মৈঁ ভোগী।
মৈঁ তো আপা দূৰ ন ডাৰা
কৈসে জীৱে ৰোগী।
কোঈ কহে মৈঁ দাতাৰে ভাই,
কোঈ কহে মৈঁ তপ্সী।
নিজতত নাম নিশ্চয় নহিঁ জানা
সব ভৰ্মমে খপ্সী॥
কোঈ কহে যোগ সব জান্নু,
কোঈ কহে মৈঁ ৰহনী।
আতমদেব সোঁ পৰচো নাহীঁ,
য়হ সব ঝুটী কহনী॥
কোঈ কহে ধৰ্ম্ম সব সাধে,
ঔৰ বত সব কীন্হা।
আপকী ভৰম নিকসী নাহী তো,
ফলেস বহুত সিৰ লীন্হা॥
গৰব গুমান সব দূৰ নিৱাৰে,
কৰনীকা বল নাহীঁ।

কহেঁ কবীৰ সাহবকা বন্দা,
পহুঁচা নিজ পদ মাহীঁ ॥

যি জনে মনৰ পৰা নিজক দূৰ কৰিছে তেওঁহে উত্তীর্ণ হইছে। কোনোৱে কয় মই জ্ঞানী, কোনোৱে কয় মই ত্যাগী, কোনোৱে কয় মই ইন্দ্রিয় জেতা—ইয়াত সকলোৰে অভিমান জড়িত আছে। কোনোৱে কয় মই যোগী, কোনোৱে কয় মই ভোগী, অভিমানেই নাতৰিল—এতিয়া ৰোগী কেনেকৈ বাচে? কোনোৱে কয় মই দাতা, কোনোৱে কয় মই তপস্বী, আত্মাৰ তত্ব কোনেও পৰিপাতিকৈ নুবুজিলে সকলোৰেই ভ্রম হ'ল। কোনোৱে কয় মই সকলো যোগ জানো, কোনোৱে বা কয় ৰহস্য জানো—যেতিয়া সেই আত্মদেৱতাক জনা হোৱা নাই, এই সকলো কথাই ব্যর্থ। কোনোৱে কয় সকলো ধৰ্ম্ম সাধন কৰিছো, কোনোৱে কয়, সকলো ব্রত পালন কৰিছো—কিন্তু আত্মাৰ ভ্রান্তি যদি দূৰ হৈ নেথাকে, তেন্তে কপালত বহুত ক্লেশ আছে। গপ, অভিমান যি দূৰ কৰিছে, কৰ্ম্মবন্ধন তেওঁৰ ওচৰত শক্তিহীন। কবীৰে কৈছে,—মই সেই স্বামীৰ ভৃত্য—নিজভৰিৰে মই উপনীত হৈছোহি।

( ৮ )

মো কো কহাঁ ঢুঁঢ়ো বন্দে।
মৈতো তেৰে পাসমেঁ।
না মৈঁ দেবল না মৈঁ মসজিদ,
না কাবে কেলাস মেঁ।

না তৌ কৌন ক্ৰিয়া কৰ্ম্ম মেঁ,
নহীঁ যোগ বৈৰাগ মেঁ॥
খোজী হোয় তো তুৰতে মিলিঁহৌ,
পল ভৰকী তালাস মেঁ।
কহৈঁ কবীৰ সুনো ভাই সাধো,
সব স্বাঁসো কী স্বাঁস মেঁ॥

হে সেৱক, তুমি মোক ক'ত বিচাৰিছা? মই তোমাৰ নিচেই ওচৰতে আছো। মই কোনো মন্দিৰত নাই, মসজিদত নাই। কোনো তীৰ্থত মই নাই, কৈলাসতো মই নাই, ক্ৰিয়া কৰ্ম্মত মই নাই, যোগ-বৈৰাগ্যত মই নাই। যদি অন্বেষণ কৰিব জানা তেতিয়া, মোক তৎক্ষণাত দেখা পাবা—অলপমান বিচাৰিলেই পাবা। কবীৰে কৈছে—হে সাধো, মই সকলোৰে নিঃশ্বাসৰ ভিতৰত আছো।

( ৯ )

ঐসী দিৱানী দুনিয়াঁ,
ভক্তিভাব নহি বুঝে জী।
কোই আৱে তো বেটা মাংগে
যহী গুসাঈঁ দীজৈ জী॥
কোই আৱে দুখ কা মাৰা,
হম পৰ কিৰপা কীজৈ জী।
কোই আৱেতো দৌলত মাংগে,
ভেঁট ৰুপৈয়া লীজৈ জী॥

সাঁচেকো কোই গাহক নাহীঁ,
ঝূঠে জগত খোজে জী।
কহেঁ কবীৰ শুনো ভাই সাধো,
অংধো কো ক্যা কাজে জী ॥

হায়, এই পৃথিবী ইমান পাগল যে ভক্তিৰ ভাব কোনেও বুজি নেপায। কোনোৱে পুত্ৰ প্ৰাৰ্থী হৈ আহি কয়, "হে গোসাঞী, মোক পুত্ৰ দিয়া" কোনোৱে দুখ ভোগ কৰি আহি কয, "প্ৰভু মোক কৃপা কৰা।" কোনোৱে ধন প্ৰাৰ্থনা কৰে আৰু পূজা কৰে। সেই পৰম সত্যৰ গ্ৰাহক কোনো নাই কেৱল সকলোৱে মিছাক অন্বেষণ কৰিছে। কবীৰে কৈছে "হে সাধু, এই অন্ধবিলাকক লৈ কি কৰা যায ?"

( ১০ )

সন্তন জাত ন পূছো নিৰ-গুনিযাঁ।
সাধ ব্ৰাহ্মণ, সাধ ছওৰী,
সাধৈ জাতী বনিযা।
সাধন মাঁ ছত্তীস কৌম হৈ,
টেটী তোৰ পুছনিযা ॥
সাধৈ নাউ সাধৈ ধোবী,
সাধ জাতি হৈ বৰিযাঁ।
সাধন মাঁ ৰৈদাস সন্ত হৈঁ,
সুপচ ঋষি সো ভঁগিয়াঁ।
হিন্দূ তুৰ্ক দুই দীন বনে হৈঁ
কছু নহীঁ পহচনিয়াঁ ॥

সাধুসকলৰ জাতি সোধা ভুল! কাৰণ ব্ৰাহ্মণ ক্ষত্ৰিয়, বৈশ্য সকলোৱেই সাধনা কৰিছে। সাধকৰ জাতি সম্বন্ধে প্ৰশ্ন কৰাই অদ্ভুত। নাপিতেও সাধনা কৰিছে, ধোবাইও সাধনা কৰিছে। সাধনাৰ ভিতৰত ৰৈদাস সাধক আছিল। শ্বপচ ঋষি জাতত চামাৰ আছিল। হিন্দু মুছলমান সকলো জাতিৰলোকেই সাধক হৈছে—ইয়াৰ ভিতৰত কোনো বিভিন্ন নাই।

( ১১ )

কা যোগী মুদ্ৰা কৰে,
সাহিব গতি-ন্যাৰী।
ঝড়ী জংগল রে ফিৰৈঁ,
অঙ্গে বপাৰা।
পূজা তৰ্পন জাপ মেঁ.
ভূলে ব্ৰহ্মচাৰী॥
উলটা পবন চঢাযকে,
জাৱৈঁ অধিকাৰী।
বায়ু তজকে অজগৰ ভযে,
গয়ে বাজী হাৰী॥
সুন্ন মহল কহাঁ সোইয়ে
জহঁ নিম অঁধিয়ৰী।
কহৈঁ কবীৰ ৰহঁ সোইয়ে,
ৰবি সসি উজিয়াৰী॥

আমাৰ স্বামীৰ নিগূঢ় লীলা। যোগীয়ে মুদ্ৰাযোগ অভ্যাসৰ দ্বাৰা ঈশ্বৰক কেনেকৈ জানিব পাৰিব? অন্ধ ধৰ্ম্মৰ ব্যৱসায়ীসকলে অৰণ্যত মিছাতে ঘুৰি ফুৰিছে ব্ৰহ্মচাৰীয়ে পূজা তৰ্পণৰ জপ কৰি পাহৰি আছে। কুম্ভকৰ দ্বাৰা যোগীয়ে যি প্ৰাণ ধাৰণ কৰি আছে, তেওঁ জগতৰ বায়ু ত্যাগ কৰি অজগৰ সাপৰ দৰে শক্তিলাভ কৰি এই বিশ্বখেলাত বাজী তেৰুৱালে—ব্ৰহ্মক নেপালে।

শূন্য মোৰ মন্দিৰ, ঘোৰ ৰাতিৰ দৰে সি অন্ধকাৰ—ক'ত মই বিশ্ৰাম কৰিম? কবীৰে কৈছে,—"সেই ঠাইতে শোৱা য'ত তোমাৰ মন্দিৰত ৰবি-শশী দীপ্যমান।"

মন ন ৰঙ্গায়ে,
ৰঙ্গাযে যোগী কপড়া॥
আসন মাৰি মন্দিৰ মেঁ বৈঠে
ব্ৰহ্ম ছাড়ি পূজন লগে পথৰা॥
কনৱা ফড়ায যোগী
জটৱা বঢ়ৌলে।
দাঢ়ী বঢ়ায় যোগী
হোই গৈলে বকৰা॥
জঙ্গল জায় যোগী,
ধুনিয়া ৰমৌলে।

কাম জৰায় যোগী,
হোই গৈলে হিজৰা॥

মথৱা মুড়ায় যোগী,
কপৰা ৰঙ্গৌলে।
গীতা বাঁচকে
হোই গৈলে লবৰা॥

কহহিঁ কবীৰ,
স্থনো ভাই সাধো
জম দৰৱজা,
বান্ধল জৈবে পকড়া॥

প্রেমেৰে মন নৰঙাই যোগায়ে তেওঁৰ কাপোৰ ৰঙাইছে। নিতৌ মন্দিৰৰ ভিতৰত আসন পাতি বহি ব্রহ্মক ত্যাগ কৰি পাসাণক পূজা কৰিছে। কানে ফুশুনাকৈ যোগীয়ে জটাবিলাক দীঘল কৰি লৈছে—দাড়ী বঢ়াই লৈ যোগী একেবাৰে দেখিবলৈ ছাগলীৰ নিচিনা হৈছে! অৰণ্যলৈ গৈ যোগীয়ে ধুনি জ্বলাই লৈ বহিছে আৰু কামক দগ্ধ কৰি নপুংসক হৈ পৰিছে। মূৰ খুৰাই, কাপোৰ ৰঙাই গীতা পঢ়ি যোগীয়ে মিছাতে কিবা আকাৰ ধাৰণ কৰিছে। কবীৰে কৈছে,—"তোমাক লৈ মৃত্যুৰ দুৱাৰলৈ যাব লাগিব।"

[ ১৪ ]

জব মৈঁ ভূলাৰে ভাঈ,
মেৰে সতগুৰু জুগত লখাঈ ॥
কিৰিয়া কৰ্ম্ম অচাৰ মৈঁ ছাঁড়া,
ছাঁড়া তীৰথকা নহানা।
সগৰী তুনিয়া ভঈ সয়ানী,
মৈঁ হী ইক বৌৰানা ॥
না মৈঁ জানূ সেৱা বন্দগী,
না মৈ ঘণ্ট বজাঈ।
না মৈ মূৰত ধৰা সিংঘাসন,
না মৈ পুহুপ চঢ়াঈ ॥
না হৰি ৰীঝে জপ তপ কীনহে,
না কায়াকে জাৰে।
না হৰি ৰীঝে ধোতী ছাঁড়ে,
না পাঁচো কো মাৰে ॥
দয়া ৰাখি ধৰম কো পালে,
জগ সেঁা ৰহে উদাসী।
অপনা সা জীৱ সব কো জানে,
তাহি মিলে অবিনাসী ॥
সহে কুশব্দ বাদকো ত্যাগে
ছাঁড়ে গৰ্ব্ব গুমানা।

সন্ত নাম তাহি কো মিলিহে
কহৈ কবীৰ সু-জানা ॥

হে ভাই, মই যেতিয়া ভুল কৰিছিলো, তেতিয়া সেই মোৰ সদ্‌গুৰুৱেই মোক প্ৰকৃত পথ দেখুৱাইছিল। মই তেতিয়া আচাৰ-ব্যৱহাৰ এৰিলো,—তীৰ্থে তীৰ্থে স্নান কৰিবলৈ এৰিলো। তেতিয়া মই দেখিলো কিজানি গোটেই সংসাৰেই মহাজ্ঞানী, মই অকলেহে পাগল, তাৰ ভিতৰত থাকি মই সকলোকে বিব্ৰত কৰি তুলিছো। সেই দিনৰ পৰা মই সাষ্টাঙ্গে প্ৰণাম কৰিবলৈ এৰিলো, ঘণ্টা বজাবলৈ এৰিলো, সিংহাসনত কোনো মূৰ্ত্তি স্থাপন কৰিবলৈ এৰিলো, বা মই ফলফুলেৰে প্ৰতিমা অৰ্চ্চনা কৰিবলৈ এৰিলো।

জপতপ কৰি নিজৰ দেহক দগ্ধ কৰিলেই হৰি তৃপ্ত নহয় অথবা পঞ্চেন্দ্ৰিয়ক বধ কৰি গাৰ কাপোৰ দলিয়াই পেলালেই হৰি তৃপ্ত নহয়।

যি দয়ালু মানুহে ধৰ্ম্ম পালন কৰে, জগতৰ ভিতৰত যি উদাসীন হৈ থাকে সকলো জীৱকে যি আত্মবৎ জ্ঞান কৰে, সেই জনেহে সেই অমৃতপুৰুষক লগ পায়। কবীৰে কৈছে, যে যি অপমান সহ্য কৰে, কু কথা ত্যাগ কৰে, সকলো অহঙ্কাৰৰ পৰা যি জন মুক্ত, তেওঁৱেই সেই সত্যদেৱতাক লাভ কৰে।

ব্রাহ্মণ দিচ্ছা দেতা
ঘৰ ঘৰ ঘালি হৈ।
মূৰ সজীৱন পাস
তু পাহন পালি হৈ॥

ঐ সন সাহব কবীৰ
সলোনা আপ হৈ।
নহী জোগ নহি জাপ
পুন্ন নহি পাপ হৈ॥

ঘৰে ঘৰে সোমাই ব্রাহ্মণে দীক্ষা দি ফুৰিছে। কিন্তু জীৱনৰ মূল তোমাৰ উঘাল থাই আছে আৰু তাৰ ঠাইত তুমি পাষাণ প্ৰতিস্থিত কৰিছা!

কবীৰে কৈছে মোৰ প্ৰভু ইমান মধুৰ যে তেওঁক বুজাবৰ বিষয় নহয়। তেওঁৰ ওচৰত যোগো নাই, জপো নাই, পুণ্যও নাই, পাপো নাই।

কহঁ সে আযে অমৰ ৰ দেশৱা।
না হুৱাঁ ধৰতী ন পৌন অকসৱা।
না হুৱাঁ চাঁদ সুৰদ পৰগসৱা।
না হুৱাঁ ব্রহ্মা ন বিষ্ণু মহেসৱা।
না জোগী জংগম দৰবেসৱা।
কহৈ কবীৰ লৈ আয়ন সন্দেসৱা।
সাৰ সূৰ গহে চলো ৰহি দেসৱা॥

যি ঠাইৰ পৰা আহিছা, সেই দেশখন অমৰ। তাত মাটি, বতাহ, আকাশ একোৰেই নাই। সেই দেশত নাই চন্দ্ৰ সূৰ্য্যৰ প্ৰকাশ, নাই তাত বামুণ, শূদিৰ, শেখ। তাত ব্ৰহ্মা, বিষ্ণু, মহেশো নাই। তাত যোগী, জঙ্গম আদিও নাই।

কবীৰে কৈছে, সেই সম্বাদ লৈ আহিছো। সেই পূৰ্ণ সুখৰ গৰ্ভত ডুব দিয়া আৰু সেই দেশলৈ বলা।

সবতে সাঁচা ভলা
জো সাঁচা দিল হোয়।
সাঁচ বিনা সুখ নাহিনা
কোটি কৰে জো কোয়॥

সৰ্ব্বোৎপেক্ষা ভাল সত্য, যদিহে হৃদয়ত সত্য থাকে। সত্য বিনা সুখ নাই, যি কোনো উপায়েই নকৰক।

অবধূ বেগম দেস হমাৰা॥
ৰাজা ৰংক ফকীৰ বাদশা,
সবসে কহোঁ পুকাৰা।
জো তুম চাহো পৰম পদে কো,
বসিহো দেস হমাৰা॥
জো তুম আযে ঝীনে হোকে,
তজো মনকী ভাৰা।

ঐসী ৰহণ ৰহোৰে প্যাৰে,
সহজ উতৰ জাৰ পাৰা ॥
ধৰণ আকাস গগন কুছ নাহিঁ,
নহীঁ চন্দ্র নহীঁ তাৰা।
সত্ত ধৰ্ম্মকী হৈঁ মহতাবে,
সাহবকে দৰবাৰা ॥
কহৈঁ কবীৰ সুণো হো প্যাৰে,
সত্ত ধৰ্ম্ম হৈ সাৰা ॥

হে সাধু, দুখ-ক্লেশ হীন মোৰ দেশ। ৰজা, কঙাল, বাদশা, ফকিৰ সকলোকে মাতি মই উচ্চস্বৰে কওঁ,—পৰম পদৰ যি প্ৰাৰ্থী, তেওঁ মোৰ দেশত বাস কৰক। জীৰ্ণ হৈ যিজন আহিছে, তেওঁ ইযাত প্ৰাণৰ ভাৰ ত্যাগ কৰক। মাটি, বতাহ, আকাশ একো সেই ঠাইত নাই। তাত চন্দ্ৰও নাই, তৰাও নাই;—সেই প্ৰভুৰ দৰবাৰত আছে কেৱল সত্যধৰ্ম্মৰ জ্যোতি দীপ্যমান হৈ। কবীৰে কৈছে, "হে প্ৰিয়! শুনা, তাত সত্যধৰ্ম্মই সাৰ বস্তু।"

সাধো এক আপ সব মাঁহী ॥
দূজা কৰন ভৰম হৈ কৃত্ৰিম,
জ্যোঁ দৰ্পন মেঁ ছাহীঁ,
জল তৰঙ্গ জিমি জলতে উপজৈ,
ফিৰ জল মাঁহি ৰহাঈঁ ॥

হে সাধু, এক আত্মা সকলোৰে ভিতৰতে আছে। তাৰ বাহিৰে সকলোৰেই দাপোনৰ মাজৰ প্ৰতিবিম্বৰ নিচিনা মিছা—পানীৰ তৰঙ্গ যেনেকৈ পানীতেই উৎপন্নহৈ পুনৰ পানীতে লীন হয়।

By the same Author :

কবী ৰবীন্দ্ৰনাথ ঠাকুৰৰ দ্বাৰা উচ্চ প্ৰসংশিত :—

| | | | |
|---|---|---|---|
| মনালিছা | ... | ... | ॥০ |
| কবিতা আৰু দৰ্শন | | ... | ৶০ |

Nationalism and the olive Branch. ১৲

*To be had of*:—

**Mr. S. N. Barooah.**

Hill-View.

JORHAT.

ডিব্ৰুগড় বৰুৱা প্ৰেছত

শ্ৰীকৃষ্ণগোবিন্দ বৰুৱাৰ দ্বাৰা ছাপা হল।